**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 13-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মণিপুৰত আজি সন্ধিয়াৰ পৰা ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰা হৈছে। সংবিধানৰ ৩৫৬ অনুচ্ছেদ অনুসৰি ৰাজ্যপালৰ প্ৰতিবেদনৰ পিছত অশান্ত জৰ্জৰ ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰা হয়। উল্লেখযোগ্য যে যোৱা ৯ ফেব্ৰুৱাৰীত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰিছিল। ৰাজ্যখনৰ দুটা মূল জনগোষ্ঠী কুকী আৰু মেইটেইৰ মাজত প্ৰায় দুটা বছৰে চলি থকা গোষ্ঠী সংঘৰ্ষৰ পাছত মুখ্যমন্ত্ৰী এন বিৰেন সিঙে পদত্যাগ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ পদত্যাগৰ পিছত পুনৰ চৰকাৰ গঠনৰ বাবে বিজেপিয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ পৰিপ্ৰেক্ষিততে ৰাজ্যপালৰ প্ৰতিবেদনৰ ভিত্তিত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি জলসিঞ্চন বিভাগে ৰাণী চাপৰিত বিভাগটোৰ ৩৫টা টিউবেলৰ মেৰামতি সম্পন্ন কৰিছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ কৃষকসকলৰ কৃষি ভূমিৰ পানীৰ সমস্যাৰ সমাধান নিশ্চিত হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ১৪ জানুৱাৰীত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাণী চাপৰি পৰিদৰ্শন কৰাৰ সময়ত অঞ্চলটোৰ কৃষকসকলে জলসিঞ্চনৰ বহু টিউবেল বিকল হৈ থকা বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰাইছিল। কৃষকসকলৰ এই সমস্যাত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জলসিঞ্চন বিভাগক টিউবেলসমূহ অতি শীঘ্ৰে কাৰ্যক্ষম কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰিপ্ৰেক্ষিতত বিভাগটোৱে যোৱা ৭ ফেব্ৰুৱাৰীত টিউবেলসমূহ কাৰ্যক্ষম কৰি তোলে। এই টিউবেলসমূহৰ দীৰ্ঘকালীন কাৰ্যক্ষমতা আৰু সঠিক ব্যৱহাৰ নিশ্চিত কৰিবলৈ ৰাণী চাপৰিত এখন সজাগতা সভাও অনুষ্ঠিত হয়। সভাত পশ্চিম গুৱাহাটী পলাশবাৰী সংমণ্ডল, জলসিঞ্চন বিভাগৰ বিষয়াসকলে কৃষকসকলৰ সৈতে মত বিনিময় কৰে।

০০০০

তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত কালি নিশা অহা এজাক ধুমুহা-বৰষুণৰ ফলত বিদ্যালয় গৃহ, স্বাস্থ্য কেন্দ্ৰকে ধৰি কেইবাটাও ঘৰৰ ব্যাপক ক্ষতিসাধন হয়। এই ধুমুহা-বৰষুণত জিলাখনৰ লাওপাৰা, টেবীতোলা, ঘিলাঝাৰ, সাহপুৰকে ধৰি ভালেকেইখন গাঁৱৰ শতাধিক পৰিয়ালৰ বাসগৃহ ভাঙি পৰে। শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত অঞ্চলটোৰ বহু লোকৰ ৰবি শস্যৰ বিস্তৰ ক্ষতি হয়। ধুমুহাৰ ফলত লাওপাৰাৰ বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেইবাটাও শ্ৰেণীকোঠা ভাগি যোৱাত আজি বিদ্যালয়খনৰ পাঠদান বাতিল কৰিবলগীয়া হয়। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী আৰু জিলা প্ৰশাসনৰ কেইবাজনো বিষয়াই অঞ্চলটো ভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ লয়।

০০০০

হোজাই জিলাৰ লংকাৰ পিয়লি মাৰ্কেটৰ কাপোৰৰ বিপনীত আজি জিলা হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ এটা দলে পাৱাৰলুমত উৎপাদিত গামোচাৰ বিৰুদ্ধে অভিযান চলায়। এই অভিযানত দলটোৱে লংকা বজাৰৰ কেইবাখনো কাপোৰৰ বিপনীৰ পৰা পাৱাৰলুমৰ গামোচা জব্দ কৰে। অসমীয়া শিপিনীসকলে যাতে অসমীয়া গামোচাৰ জৰিয়তে স্বনিৰ্ভৰশীল হ'ব পাৰে, সেই উদ্দেশ্য আগত ৰাখি জিলা হস্ততাঁত আৰু বস্ত্ৰ বিভাগে পাৱাৰলুমৰ গামোচাৰ বিৰুদ্ধে এই অভিযান চলোৱা বুলি বিভাগীয় বিষয়াই জানিবলৈ দিয়ে।

০০০০

দক্ষিণ শালমাৰাৰ হাতশিঙিমাৰীৰ ফুলেৰ চৰত বন বিভাগে আজি অভিযান চলাই এটা অবৈধ কাঠফলা মিল জব্দ কৰাৰ লগতে আন এটা পঞ্জীয়নভুক্ত মিলো জব্দ কৰে। আখিৰুল ইছলাম নামৰ কাঠফলা মিলৰ গৰাকীজনৰ পঞ্জীয়নভুক্ত কাঠফলা মিলত দীৰ্ঘদিনৰ পৰা নিয়ম বহিৰ্ভূতভাৱে কাঠৰ কুণ্ডা ফালি থকাৰ অভিযোগ পাই বনবিভাগে আজি এই অভিযান চলাইছিল। এই অভিযানত বিভাগে কাষতে থকা আন এটা অবৈধ কাঠফলা মিলো জব্দ কৰে। ধুবুৰী বনবিভাগৰ সহকাৰী বন সংৰক্ষক বিষয়া চক্ৰপানী ৰয়ৰ উপস্থিতিত এই মিল দুটা জব্দ কৰা হয়।

০০০০০

**ৰেডিঅ' আৰু জলবায়ু পৰিবৰ্তন** এই মূল বিষয়বস্তুৰে আজি বিশ্ব অনাতাঁৰ দিৱস উদযাপন কৰা হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন শীৰ্ষক এটা বক্তৃতাৰ আয়োজন কৰে। বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড০ অৰনী কুমাৰ ভাগৱতীয়ে এই বক্তৃতা আগবঢ়ায়। এই বক্তৃতাৰ পাছতেই কেন্দ্ৰটোৰ ঘোষক-ঘোষিকাসকলে আকাশী লহৰ নামৰ গীত-মাত আৰু আবৃত্তিৰ আন এটা অনুষ্ঠান পৰিৱেশন কৰে।

উল্লেখযোগ্য যে, ইউনেস্কোৰ উদ্যোগত ২০১২ চনৰ পৰা পালন কৰি অহা এই দিৱসত অনাতাঁৰ মাধ্যমৰ কাম-কাজ আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাৰ লগতে বিভিন্ন বিষয়ত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈ আহিছে।

০০০০০

নগাঁৱৰ শিমলুগুৰিত অৱস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত আজি বৈজ্ঞানিক পৰামৰ্শ দাতা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা যোৱা বছৰত কি কি কাৰ্যসূচী হাতত লোৱা হৈছিল, তাৰ খতিয়ান দাঙি ধৰি সমাগত দিনত কি কি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব আৰু জিলাখনৰ উন্নয়নৰ বাবে কিদৰে আগবাঢ়ি যাব লাগিব সেই উদ্দেশ্য আগত ৰাখি সভাখন অনুষ্ঠিত হয়। সভাত কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ প্ৰধান বিজ্ঞানী তথা মুৰব্বী ড০ নিৰঞ্জন ডেকাৰ লগতে ড০ মনোৰঞ্জন নেওগ, ড০ হেমেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্যকে ধৰি ভালেসংখ্যক লোক উপস্থিত আছিল।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে ৩৪ টা পদক জয়েৰে আজি অভিযানৰ অন্ত পেলাইছে। এই ক্ৰীড়াত অসমে তিনিটা সোণ, ১৫টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখযোগ্য যে কাইলৈ সন্ধিয়া হাল্দ্বীৰানী ইন্দিৰা গান্ধী ষ্টেডিয়ামত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি পৰিব। আজি অসমে নেট বলৰ মিক্সড শাখাত অন্তিমটো পদক জয়ৰ লক্ষ্যৰে গ্ৰুপৰ এখন খেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল। কিন্তু

খেলখনত অসমৰ দলটো পৰাজয় হোৱাৰ লগে লগে অভিযানৰ সামৰণি পৰে। উল্লেখযোগ্য যে গোৱাত অনুষ্ঠিত ৩৭ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ৫৬টা পদক লাভ কৰিছিল। ১৪টা সোণ, ২০ টা ৰূপ আৰু ২২ টা ব্ৰঞ্জৰ পদকেৰে অসমে বিগত বৰ্ষত যথেষ্ট উজ্জীৱীত প্ৰদৰ্শন আগবঢ়াইছিল। অৱশ্যে এইবাৰ ৩৪ টা পদকতে অসম সন্তুষ্ট থাকিবলীয়া হয়।

ooooo

সমাপ্ত